**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-11-2024 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। এজন ভাৰতীয় ব্যৱসায়ীৰ তথাকথিত উৎকোচৰ অভিযোগ সন্দৰ্ভত সৃষ্টি হোৱা হুলস্থুলীয়া পৰিৱেশৰ বাবে লোকসভা আৰু ৰাজ্যসভাৰ শীতকালীন অধিৱেশনৰ প্ৰথম দিনাৰ কাৰ্যসূচী স্থগিত ৰাখিবলগীয়া হৈছে।

২। আজি আৰম্ভ হোৱা সংসদৰ শীতকালীন অধিৱেশন ফলপ্ৰসূ হোৱাৰ লগতে অধিৱেশনকালত গঠনমূলক বিতৰ্ক আৰু আলোচনাৰ পৰিৱেশ অটুত থাকিব বুলি বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আশা প্ৰকাশ কৰিছে।

৩। নতুন দিল্লীত আজি আন্তৰ্জাতিক সমবায় সন্মিলন আৰম্ভ হৈছে। সমবায় আন্দোলনত ভাৰত বিশ্ব নেতাৰূপে ইতিমধ্যে প্ৰতিষ্ঠিত হৈছে বুলি সমবায় মন্ত্ৰী অমিত শ্বাহে মন্তব্য কৰিছে।

৪। শ্বেত বিপ্লৱৰ জনক ৰাৰঘিজ কুৰিয়েনৰ জয়ন্তীৰ সৈতে সংগতি ৰাখি কাইলৈ সমগ্ৰ দেশতে ৰাষ্ট্ৰীয় দুগ্ধ দিৱস উদযাপন কৰা হ'ব।

আৰু

৫। পাৰ্থত অনুষ্ঠিত প্ৰথম টেষ্টত ভাৰতে অষ্ট্ৰেলিয়াক ২৯৫ ৰানৰ বিশাল ব্যৱধানত পৰাজিত কৰি ইতিহাস সৃষ্টি কৰিছে।

০০০০০০০

এজন ভাৰতীয় উদ্যোগপতি আৰু তেওঁৰ সংস্থাৰ বিৰুদ্ধে উৎকোচৰ অভিযোগ, মণিপুৰৰ সাম্প্ৰতিক পৰিস্থিতি আৰু ৱাক্‌ফ সংশোধনী বিধেয়কক লৈ সৃষ্টি হোৱা হুলস্থূলীয়া পৰিৱেশৰ বাবে আজি আৰম্ভ হোৱা সংসদৰ শীতকালীন অধিৱেশনৰ প্ৰথম দিনটোত উভয় সদনৰে কাম-কাজ স্থগিত ৰাখিবলগীয়া হয়। ৰাজ্যসভাত আজি সদনৰ পূৰ্বৱৰ্তী অধিৱেশনৰ পাছৰ সময়ছোৱাত মৃত্যু হোৱা ছগৰাকী প্ৰাক্তন সাংসদলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ পাছতেই বিৰোধী দলপতি মল্লিকাৰ্জুন খাৰ্গেই এগৰাকী উদ্যোগপতিৰ বিৰুদ্ধে উত্থাপিত উৎকোচৰ অভিযোগৰ বিষয়টো উত্থাপনৰ চেষ্টা কৰে। কংগ্ৰেছ, ডি এম কে, আৰ জে ডি, সমাজবাদী পাৰ্টি, আম আদমী পাৰ্টি আৰু বাওঁপন্থী দলৰ সদস্যসকলেও তেওঁৰ সমৰ্থনত ধ্বনি দিবলৈ আৰম্ভ কৰে আৰু বিশেষ উদ্যোগপতি গৰাকী সন্দৰ্ভত সভাস্থগিত প্ৰস্তাৱ উত্থাপন কৰিবলৈ অনুমতি দিয়াৰ দাবী জনায়। সভাপতি জগদীপ ধনখড়ে উত্তেজিত সদস্যসকলক ক্ষান্ত কৰিবলৈ বাৰম্বাৰ অনুৰোধৰ প্ৰতি বিৰোধী সদস্যসকলে কৰ্ণপাত নকৰাত সভাপতিয়ে সদনৰ কাম-কাজ স্থগিত ৰাখে। ইয়াৰ পাছত দিনৰ ১১ বাজি ৪৫ মিনিটত সদন পুনৰ মিলিত হোৱাৰ সময়তো বিৰোধী পক্ষৰ সদস্যসকল তেওঁলোকৰ দাবীত অটল থকাত সভাপতিয়ে দিনটোৰ বাবে সদনৰ কাম-কাজ স্থগিত ৰখাৰ কথা ঘোষণা কৰে।

লোকসভাতো আজি নিম্ন সদনৰ দুগৰাকী বৰ্তমানৰ সদস্য বসন্ত ৰাও চৱন আৰু শ্বেখ নুৰুল ইছলামৰ বিয়োগত শ্ৰদ্ধা নিবেদনৰ পাছতে বিৰোধী সদস্যসকলে প্ৰায় একেকেইটা বিষয় লৈ সভাস্থগিত প্ৰস্তাৱ উত্থাপনৰ দাবী জনোৱাত সদনত হুলস্থুলীয়া পৰিস্থিতিৰ সৃষ্টি হয়। অধ্যক্ষ ওম বিৰলাই প্ৰথমে সদনৰ কাম-কাজ ১২ বজালৈ আৰু পাছত দিনটোৰ বাবে স্থগিত ৰাখে।

০০০০০০০০০

ৱাক্‌ফ সংশোধনী বিধেয়ক, ২০২৪ সন্দৰ্ভত গঠন কৰা যুটীয়া সংসদীয় সমিতিৰ বিৰোধী সদস্যসকলে আজি লোকসভাৰ অধ্যক্ষ ওম বিৰলাক তেওঁৰ কাৰ্যালয় কক্ষত সাক্ষাৎ কৰে আৰু যুটীয়া সংসদীয় সমিতিৰ অধ্যক্ষগৰাকীয়ে বিৰোধী পক্ষৰ সদস্যসকলৰ মতামত নোলোৱাকৈ সমিতিৰ প্ৰতিবেদন ততাতৈয়াকৈ দাখিল নকৰিবলৈ অধ্যক্ষৰ ওচৰত দাবী জনায়। সমিতিৰ সদস্য তথা তৃণমূল কংগ্ৰেছৰ সাংসদ কল্যাণ বেনাৰ্জীয়ে পাছত সাংবাদিকৰ আগত কয়, যে অধ্যক্ষ ওম বিৰলাই তেওঁলোকৰ দাবী মনোযোগেৰে শুনে আৰু এই সন্দৰ্ভত জে পি চিৰ প্ৰতিবেদন দাখিলৰ সময়সীমা বৃদ্ধি কৰা হ'ব বুলি আশ্বাস দিয়ে।

০০০০০০০০০

আজি আৰম্ভ হোৱা সংসদৰ শীতকালীন অধিৱেশন ফলপ্ৰসূ হোৱাৰ লগতে অধিৱেশনকালত গঠনমূলক বিতৰ্ক আৰু আলোচনাৰ পৰিৱেশ অটুত থাকিব বুলি বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আশা প্ৰকাশ কৰিছে। অধিৱেশন আৰম্ভ হোৱাৰ আগতে সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী মোদীয়ে কয় যে সংবিধান গৃহীত হোৱাৰ ৭৫ বছৰৰ আৰম্ভণিৰ লগতে এইবাৰৰ শীতকালীন অধিৱেশন কেইবাটাও কাৰণত বিশেষ হৈ ৰ'ব। তেওঁ কয়, যে এয়া গণতন্ত্ৰত এটা গৌৰৱময় মাইলৰ খুটি। বিৰোধী পক্ষক কটাক্ষ কৰি প্ৰধানমন্ত্ৰী গৰাকীয়ে কয়, যে ৰাইজে নাকচ কৰা এমুঠিমান মানুহে বিশৃংখলতাৰ  সৃষ্টি কৰি সংসদক নিয়ন্ত্ৰণ কৰিবলৈ চেষ্টা কৰি আহিছে। সংসদৰ অধিৱেশনৰ সময়খিনি বিশ্বত ভাৰতৰ খ্যাতি তথা ঐতিহ্য আৰু অধিক বৃদ্ধি কৰাৰ বাবে ব্যৱহাৰ কৰাটো উচিত বুলিও প্ৰধানমন্ত্ৰীগৰাকীয়ে কয়। দেশখনে পোৱা এনে সুযোগ বিশ্বৰ মঞ্চত ভাৰতৰ বাবে বিৰল আৰু আমি ইয়াৰ যথোচিত মূল্য দিব লাগে বুলি শ্ৰী মোদীয়ে উল্লেখ কৰে। তেওঁ কয়, যে ভাৰতৰ সংসদৰ মজিয়াৰ পৰা দেশখনৰ ভোটদাতাসকল, তেওঁলোকৰ গণতন্ত্ৰৰ প্ৰতি দায়বদ্ধতা, সংবিধানৰ প্ৰতি উৎসৰ্গা আৰু সংসদৰ কাম-কাজৰ প্ৰতি থকা বিশ্বাসৰ বাৰ্তা সমগ্ৰ দেশলৈ সংসদৰ সদস্যসকলে বিয়পোৱা উচিত।

০০০০০০০০০

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই সংবিধানখন ৰাজনৈতিক সংকীৰ্ণ প্ৰিজমৰ মাজেৰে চাব নালাগে বুলি কৈ একাংশ পক্ষই সংবিধানক ভাবুকিৰ সন্মুখীন হোৱা বুলি উত্থাপন কৰা অভিযোগ নাকচ কৰিছে। কাইলৈ পালন কৰিবলগীয়া সংবিধান দিৱসৰ পূৰ্বে আকাশবাণীৰ সৈতে হোৱা এটা আছুতীয়া সাক্ষাৎকাৰত শ্ৰী বিমলাই সংবিধানখন ৰাষ্ট্ৰৰ জনসাধাৰণৰ আৰু সমাজৰ প্ৰতিটো শ্ৰেণীয়ে ইয়াৰ ওপৰত আস্থা ৰাখে বুলি মন্তব্য কৰে। তেওঁ কয়, যে সংবিধানখন দেশৰ ১৪০ কোটি জনসাধাৰণৰ পৱিত্ৰ গ্ৰন্থ আৰু ই হৈছে – সামাজিক আৰু অৰ্থনৈতিক পৰিৱৰ্তনৰ উৎস। সংবিধান দিৱসত সংবিধান সভাৰ বিতৰ্ক আৰু আলোচনাৰ পৰা প্ৰেৰণা লোৱাৰ প্ৰয়োজনীয়তাৰ ওপৰত অধ্যক্ষগৰাকীয়ে আলোকপাত কৰে। সংৰক্ষণৰ বিষয়টো সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰত শ্ৰী বিৰলাই কয়, যে ৰাজনৈতিক দলসমূহে অভিযোগ উত্থাপন কৰিব পাৰে কিন্তু চৰকাৰে সংৰক্ষণ ব্যৱস্থাত কেতিয়াও খেলিমেলি কৰাৰ চেষ্টা কৰা নাই।

শ্ৰোতাসকলে ১০০ দশমিক ১ এফ এম গোল্ডৰ আকাশবাণী নিউজৰ 'সুৰখিয়া' অনুষ্ঠানত সন্ধিয়া ৭ বাজি ১০ মিনিটত এই  সম্পূৰ্ণ সাক্ষাৎকাৰ শুনিব পাৰিব।

০০০০০০০০০

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড° মনসুখ মন্দাভিয়াই আজি নতুন দিল্লীত 'আমাৰ সংবিধান, আমাৰ স্বাভিমান' পদযাত্ৰাত অংশগ্ৰহণ কৰে। কাইলৈ পালন কৰিবলগীয়া সংবিধান দিৱসৰ লগত সংগতি ৰাখি আৰু ভাৰতৰ গণতান্ত্ৰিক যাত্ৰাত সংবিধান নিৰ্মাতাসকলৰ অৱদানক স্মৰণ কৰিয়েই এই পদযাত্ৰা অনুষ্ঠিত কৰা হৈছে। কেন্দ্ৰীয় মন্ত্ৰী পীয়ুষ গোৱেল, অৰ্জুন ৰাম মেঘৱাল, কিৰেণ ৰিজিজু, গজেন্দ্ৰ সিং শেখাৱট আৰু ৰক্ষা খাড়ছেসহ সাংসদ আৰু অলিম্পিক খেলুৱৈসকলে এই পদযাত্ৰাত অংশগ্ৰহণ কৰে। মাই ভাৰত, নেহৰু যুৱ কেন্দ্ৰ সংগঠন, ৰাষ্ট্ৰীয় সমাজসেৱা আৰু ৰাষ্ট্ৰীয় স্কাউট আৰু গাইডৰ স্বেচ্ছাসেৱীসকলেও এই পদযাত্ৰাত অংশগ্ৰহণ কৰে।

ooooooooo

ভাৰতৰ শ্বেত বিপ্লৱৰ জনক ড° ৰাৰঘিজ কুৰিয়ানৰ ১০৩ সংখ্যক জয়ন্তী উপলক্ষে কাইলৈ সমগ্ৰ দেশতে ৰাষ্ট্ৰীয় দুগ্ধ দিৱস পালন কৰা হ'ব। পশুপালন আৰু দুগ্ধ বিভাগে কয়, যে এই অনুষ্ঠানত ভাৰতৰ অৰ্থনীতি আৰু পুষ্টি সুৰক্ষাৰ ক্ষেত্ৰত দুগ্ধ খণ্ডৰ গুৰুত্বপূৰ্ণ অৱদানৰ ওপৰত আলোকপাত কৰা হ'ব।

ooooooooo

এই উপলক্ষে কেন্দ্ৰীয় মীন, পশুপালন আৰু দুগ্ধ মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙে পশুধন আৰু দুগ্ধ খণ্ডৰ সন্মানীয় ৰাষ্ট্ৰীয় গোপাল ৰত্ন বঁটা প্ৰদান কৰিব। এই বৃহৎ কাৰ্যসূচীত সমগ্ৰ দেশৰ কৃষক, দুগ্ধ সংস্থা আৰু দুগ্ধ সমবায়ৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰিব।

ooooooooo

আজি নতুন দিল্লীত আন্তঃৰাষ্ট্ৰীয় সমবায় সন্মিলন আৰম্ভ হৈছে। সন্মিলনৰ পূৰ্বে কেন্দ্ৰীয় সমবায় মন্ত্ৰী অমিত শ্বাহে কয়, যে সমবায় আন্দোলনত ভাৰতে বিশ্ব নেতা হিচাপে ইতিমধ্যে আত্মপ্ৰকাশ কৰিছে। ৰাষ্ট্ৰীয় দৈনিক কাকতত লিখা এটা প্ৰৱন্ধত শ্ৰী শ্বাহে কয়, যে সমবায় খণ্ডটো কেৱল অৰ্থনৈতিকভাৱে উচ্চাকাংক্ষী ব্যক্তিসকলক সমৃদ্ধ কৰাৰ বাবেই নহয়, অৰ্থনীতিৰ মূল সুঁতিৰ সৈতেও তেওঁলোকক একত্ৰিত কৰাৰ বাবেও পৰিচিত। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'সমবায়ৰ পৰা সমৃদ্ধিলৈ' মন্ত্ৰৰ মূল লক্ষ্য হৈছে – দেশৰ সমবায় প্ৰতিষ্ঠানসমূহক স্বাৱলম্বী আৰু শক্তিশালী কৰি তোলা। শ্ৰী শ্বাহে লগতে কয়, যে সমবায় আন্দোলনে উপযুক্ত পুঁজিৰ অভাৱ আৰু মাত্ৰ সামান্য সঞ্চয় থকা লোকসকলক উন্নীত কৰাৰ ক্ষেত্ৰত উল্লেখযোগ্য পৰিৱৰ্তনশীল আহিলা হিচাপে সম্ভাৱনীয়তা বহন কৰে। কেন্দ্ৰীয় সমবায় মন্ত্ৰীগৰাকীয়ে কয়, যে  এই সন্মিলনখনে অৰ্থনৈতিক অন্তৰ্ভুক্তি, দৰিদ্ৰতা নিৰ্মূলকৰণ, লিংগ সমতা তথা ৰাষ্ট্ৰসংঘৰ বহনক্ষম উন্নয়নৰ লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত উল্লেখযোগ্য অৰিহণা যোগাব।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি গায়েনাৰ ৰাষ্ট্ৰপতি ড° ইৰফান আলীক 'এক পেড় মা কে নাম' পদক্ষেপত তেওঁৰ সমৰ্থনৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছে। শ্ৰী মোদীয়ে কালি প্ৰচাৰিত মন কী বাত অনুষ্ঠানত গায়েনাৰ ভাৰতীয় সম্প্ৰদায়ক প্ৰশংসা কৰি কয় যে ড° ইৰফান আলীৰ সমৰ্থন সদায় স্মৰণীয় হৈ ৰ'ব।

ooooooooo

পাৰ্থত অনুষ্ঠিত প্ৰথম টেষ্টত ভাৰতে অষ্ট্ৰেলিয়াক ২৯৫ ৰানৰ বিশাল ব্যৱধানত পৰাজিত কৰি ইতিহাস সৃষ্টি কৰিছে। আজি খেলখনৰ চতুৰ্থ দিনা জয়লাভৰ বাবে  দ্বিতীয় ইনিংছত ৫৩৩ ৰানৰ বৃহৎ লক্ষ্য অনুসৰণ কৰি অষ্ট্ৰেলিয়াই আটাইকেইটা উইকেট হেৰুৱাই কেৱল ২৩৮ ৰানহে কৰিবলৈ সমৰ্থ হয়। অষ্ট্ৰেলিয়াৰ হৈ ট্ৰেভিছ হেডে সৰ্বাধিক ৮৯ ৰাণ সংগ্ৰহ কৰে। মিছেল মাৰ্ছে ৪৭ আৰু এলেক্স কেৰীয়ে ৩৬ ৰানৰ বৰঙণি আগবঢ়ায়। ভাৰতৰ হৈ

অধিনায়ক যশপ্ৰীত বুমৰা আৰু মহম্মদ ছিৰাজে ৩ টাকৈ উইকেট দখল কৰে। ৱাছিংটন সুন্দৰে দুটা আৰু হৰ্ষিত ৰাণা আৰু নীতিশ ৰেড্ডীয়ে এটাকৈ উইকেট দখল কৰে। ইয়াৰ আগতে আজি পুৱা কালি ৩ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ১২ ৰানৰ পৰা খেলিবলৈ লৈ অষ্ট্ৰেলিয়াই ভোজন বিৰতিৰ পাছত বাকী ৭টা উইকেট হেৰুৱায় আৰু স্বদেশত ভাৰতৰ বিৰুদ্ধে এই শোচনীয় পৰাজয়ৰ সন্মুখীন হয়।।

oooooooooo

সমাপ্ত